প্ৰতি,

সন্মানীয় অধ্যক্ষ/অধ্যক্ষা
গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ সাধাৰণ স্নাতক মহাবিদ্যালয়সমূহ

দিনাংক ঃ ২২-১০-২০২২ ইং

বিষয় ঃ স্নাতক প্ৰথম, তৃতীয় আৰু পঞ্চম যাণ্মাসিক পৰীক্ষা ২০২২ প্ৰপত্ৰ পূৰণ।

মহোদয়/মহোদয়া

ইয়াৰ দ্বাৰা আপোনাক আৰু লগতে সংশ্লিষ্ট সকলোকে জনোৱা হ'ল যে ২০২২ ইং বৰ্ষৰ স্নাতক কলা, বাণিজ্য, বিজ্ঞান আৰু বিভ'ক পাঠ্যক্ৰম প্ৰথম, তৃতীয় আৰু পঞ্চম যাণ্মাসিকৰ পৰীক্ষাসমূহ নৱেম্বৰ মাহৰ তৃতীয় সপ্তাহৰ পৰা অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথম (কেৱল এৰিয়াৰ/বেক মাত্ৰ) তৃতীয় আৰু পঞ্চম যাণ্মাসিক পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া অহা ২২-১০-২০২২ ইং তাৰিখৰ পৰা আৰম্ভ কৰা হ'ব। প্ৰথম যাণ্মাসিক (২০২২ বৰ্ষৰ) ছাত্ৰ-ছাত্ৰীসকলৰ পঞ্জীয়ন আৰু পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া অতি সোনকালে আৰম্ভ কৰা হ'ব। তদুপলক্ষে এই সম্বন্ধীয় কিছু কথা আপোনালোকক অৱগত কৰাৰ লগতে আপোনাৰ অনুষ্ঠানৰ পৰ্য্যায়ত ল'ব লগীয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনালোঁ।

**বিশেষ মন কৰিবলগীয়া ঃ**

১। ২০১৭ বৰ্ষৰ পৰা পৰৱৰ্তী বৰ্ষসমূহত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলহে প্ৰথম, তৃতীয় আৰু পঞ্চম যাণ্মাষিক পৰীক্ষাৰ প্ৰপত্ৰ পূৰণ কৰাৰ বাবে যোগ্য।

২। প্ৰপত্ৰ পূৰণ যাতে শুদ্ধ আৰু সম্পূৰ্ণ হয় তাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰপত্ৰৰ প্ৰতিলিপি পৰীক্ষা কৰাৰ লগতে প্ৰপত্ৰ পূৰণৰ মাচুল সংগ্ৰহ কৰি অনলাইন যোগে প্ৰপত্ৰসমূহ অনুমোদন কৰিব লাগিব।

৩। পৰীক্ষা প্ৰপত্ৰ পূৰণৰ বাবদ ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুলৰ পৰা পৰীক্ষা কেন্দ্ৰৰ বাবে লোৱা মাচুলৰ অংশ মহাবিদ্যালয়ে ৰাখি বাকি অংশ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জমা দিব লাগিব।

৪। কোনো ছাত্ৰ বা ছাত্ৰীয়ে নিজ মহাবিদ্যালয়ত নথকা কোনো বিষয়, দক্ষতা বৃদ্ধি পাঠ্যক্ৰমৰ (Skill Enhancement Course) বিষয় হিচাবে ল'ব নোৱাৰিব। প্ৰপত্ৰত তেনে কোনো তথ্য থাকিলে মহাবিদ্যালয় কৰ্তৃপক্ষই ততালিকে তাৰ শুধৰণিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৫। প্ৰপত্ৰ পূৰণৰ শেষ তাৰিখ উকলি যোৱাৰ পিছত মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল আৰু প্ৰপত্ৰ সম্বন্ধীয় বিস্তৃত তথ্য সম্বলিত এটি প্ৰতিবেদন বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জমা দিব লাগিব।

৬। কোনো ছাত্ৰ বা ছাত্ৰী যাতে প্ৰপত্ৰ পূৰণৰ পৰা বঞ্চিত নহয় তাৰ বাবে এক দীঘলীয়া সময়ৰ বাবে প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া চলি থাকিব। প্ৰপত্ৰ পূৰণৰ শেষ তাৰিখ উকলি যোৱাৰ পিছত অনলাইন ব্যৱস্থা বন্ধ হৈ পৰিব। তাৰ পিছত কোনো ছাত্ৰ-ছাত্ৰীকে অফলাইন ব্যৱস্থাৰ মাধ্যমেৰে প্ৰপত্ৰ পূৰণ কৰিবলৈ অনুমতি দিয়া নহ'ব।



Scanned with CamScanner

৭। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্য্যালয়ত কোনো ছাত্ৰ বা ছাত্ৰীৰ পৰা পৰীক্ষাৰ প্ৰপত্ৰ জমা বা মাচুল লোৱা নহ'ব।

৮। মহাবিদ্যালয়সমূহৰ নিজৰ সুবিধা অনুসৰি প্ৰথম, তৃতীয় আৰু পঞ্চম যাণ্মাসিকৰ সাময়িকী (Sessional Examination) পৰীক্ষাসমূহ অনুষ্ঠিত কৰি পৰীক্ষাৰ নম্বৰ অনলাইন যোগে জমা দিয়াৰ লগতে সাময়িকী পৰীক্ষাৰ নম্বৰ তালিকা আৰু প্ৰশ্নকাকতৰ প্ৰতিলিপিসমূহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰকৰ কাৰ্যালয়ত নিৰ্দিষ্ট তাৰিখত জমা দিব লাগিব।

৯। সকলো ছাত্ৰ-ছাত্ৰীয়ে অৱগত হোৱাকৈ সাময়িকী পৰীক্ষাৰ জাননী আগতীয়াকৈ জাৰি কৰিব লাগিব। সাময়িকী পৰীক্ষাৰ প্ৰশ্নকাকত যাণ্মাসিক পৰীক্ষাৰ আৰ্হিত (আনুপাতিকভাৱে) প্ৰস্তুত কৰিব লাগিব।

১০। সাময়িকী পৰীক্ষাৰ প্ৰশ্নকাকত কম্পিউটাৰ অথবা ছপাশালত ছপা হোৱা হ'ব লাগিব।

১১। সাময়িকী পৰীক্ষাৰ প্ৰশ্নোত্তৰ বহীসমূহ নিৰ্দিষ্ট বিষয় আৰু পত্ৰ অনুসৰি পৃথকে পৃথকে পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয় কাৰ্য্যালয়ত জমা দিব লাগিব।

১২। পঞ্চম যাণ্মাসিকৰ যিসকল পৰীক্ষাৰ্থীৰ প্ৰথম যাণ্মাসিকৰ কোনো বিষয়ত Arrear/Back আছে, তেওঁলোকে প্ৰথম অথবা পঞ্চম যাণ্মাসিকৰ যিকোনো এটা পৰীক্ষাতহে অৱতীৰ্ণ হ'ব পাৰিব।

১৩। পূৰ্বতে সাময়িকী পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে পুনৰ সাময়িকী পৰীক্ষাত অৱতীৰ্ণ হ'ব। যিসকল ছাত্ৰ-ছাত্ৰী কোনো বিষয়ৰ কেৱল মাত্ৰ সাময়িকী পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ তেনে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ অনলাইন প্ৰপত্ৰ পূৰণ কৰিব নালাগে।

১৪। ২০১৭ আৰু ২০১৮ চনৰ নামভৰ্ত্তি কৰা দুৰৱৰ্তী শিক্ষা মাধ্যমৰ (আইড'ল) ছাত্ৰ-ছাত্ৰীসকলে অফ্লাইন পদ্ধতিৰে পৰীক্ষাৰ প্ৰপত্ৰ পূৰণ কৰিব লাগিব। এনে ছাত্ৰ-ছাত্ৰীয়ে প্ৰপত্ৰ আৰু মাচুল নিজ নিজ মহাবিদ্যালয়ত জমা দিব লাগিব।

১৫। প্ৰপত্ৰ পূৰণৰ শেষ তাৰিখ ইং ২-১১-২০২২ (ছাত্ৰ-ছাত্ৰীৰ বাবে)।

১৬। মহাবিদ্যালয়সমূহে প্ৰপত্ৰ অনুমোদন কৰা শেষ তাৰিখ ইং ৫-১১-২০২২।

১৭। মহাবিদ্যালয়সমূহে বিশ্ববিদ্যালয়ত মাচুল জমা দিয়া ৰচিদ আৰু প্ৰপত্ৰ পূৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ বিস্তৃত তথ্য জমা দিয়াৰ শেষ তাৰিখ ইং ০৭-১১-২০২২

মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ মাচুলসমূহ RTGS যোগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ SBI Account No- 40492883654 IFS Code- SBIN0002060, MICR- 781002015 ত জমা দিব লাগিব।

স্বাক্ষৰ
পৰীক্ষা নিয়ন্ত্ৰক (ভাৰপ্ৰাপ্ত)
গুৱাহাটী বিশ্ববিদ্যালয়



Scanned with CamScanner